জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

*প্ৰেছ বাৰ্তা নং - ২৯৬/২০২১*

## ৰাজ্যৰ বিভিন্ন বিভাগৰ চাৰিটা পৃথক প্ৰকল্প আনুষ্ঠানিকভাৱে মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

# ◆ নিয়োগ বিনিময় কেন্দ্ৰসমূহত নিৰনুৱা যুৱক-যুৱতীৰ অনলাইন পঞ্জীয়নৰ বাবে পৰ্টেল, ◆ মাজুলী-যোৰহাট ফেৰী সেৱাৰ বাবে ই-টিকেটিং ব্যৱস্থা, ◆ আন্তঃজিলা বাছৰ চালক, কণ্ডাক্টৰ আৰু হেণ্ডিমেনসকলৰ বাবে মুখ্যমন্ত্ৰীৰ ক'ভিড সাহায্য আঁচনি আৰু ◆ ৰাজ্যখনৰ বাঁহ শিল্পীসকললৈ আধুনিক সা-সঁজুলি বিতৰণ কাৰ্যসূচী আনুষ্ঠানিকভাৱে মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

## অসম চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'ন্যূনতম চৰকাৰ, অধিকতম প্ৰশাসন' নীতিক বাস্তৱায়িতকৰণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি আছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আয়োজিত এক অনুষ্ঠানত ৰাজ্য চৰকাৰৰ দক্ষতা নিয়োগ আৰু উদ্যমিতা বিভাগ, পৰিবহন বিভাগ, উদ্যোগ আৰু বাণিজ্য বিভাগ আৰু আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ চাৰিটা পৃথক প্ৰকল্প আনুষ্ঠানিকভাৱে মুকলি কৰে।

মুখ্যমন্ত্ৰীয়ে আজি অসমৰ নিয়োগ বিনিময় কেন্দ্ৰসমূহত নিৰনুৱা যুৱক-যুৱতীৰ অনলাইন পঞ্জীয়নৰ বাবে এটা পৰ্টেল মুকলি কৰে। এই পৰ্টেলৰ জৰিয়তে যুৱক-যুৱতীসকলে নিজৰ আধাৰ নম্বৰৰ জৰিয়তে প্ৰত্যক্ষভাৱে নিয়োগ বিনিময় কেন্দ্ৰলৈ নোযোৱাকৈয়ে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব। অৱশ্যে, আধাৰ কাৰ্ড নথকা নিবনুৱাসকলেও অহা ৩১ মাৰ্চ, ২০২২ পৰ্যন্ত নিয়োগ বিনিময় কেন্দ্ৰসমূহত অফলাইন যোগে তেওঁলোকৰ নাম পঞ্জীয়ন কৰিব পাৰিব।

জলপথেৰে যাত্ৰা কৰা লোকসকলৰ ভ্ৰমণৰ সুবিধাৰ বাবে মুখ্যমন্ত্ৰীয়ে আজি মাজুলী-যোৰহাট ফেৰী সেৱাৰ বাবে এটা ই-টিকেটিং ব্যৱস্থা আনুষ্ঠানিকভাৱে মুকলি কৰে। এমট্ৰনে প্ৰস্তুত কৰা এই এনড্ৰইড ভিত্তিক পৰ্টেলটোৰ জৰিয়তে সদ্যহতে মাজুলী-যোৰহাট ফেৰী সেৱাৰ যাত্ৰীসকল উপকৃত হ'ব যদিও পৰ্যায়ক্ৰমে ইয়াৰ সেৱা ৰাজ্যখনৰ অন্যান্য মুখ্য জল পথসমূহলৈও সম্প্ৰসাৰিত কৰা হ'ব।

ক'ভিড অতিমাৰীৰ সময়ত আন্তঃজিলা বাছসেৱা বন্ধ থকাৰ বাবে নিজৰ জীৱিকা অৰ্জনত যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা আন্তঃজিলা বাছ সেৱাত নিয়োজিত লোকসকলক সহায়ৰ হাত আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ৰাজ্যখনৰ আন্তঃজিলা বাছৰ চালক, কণ্ডাক্টৰ আৰু হেণ্ডিমেনসকলৰ বাবে মুখ্যমন্ত্ৰীৰ ক'ভিড সাহায্য আঁচনিও আনুষ্ঠানিকভাৱে মুকলি কৰে। মুখ্যমন্ত্ৰীয়ে আজি শুভাৰম্ভ কৰা এক অনলাইন পৰ্টেলৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰি এই আঁচনিৰ অধীনত হিতাধিকাৰীসকল উপকৃত হ'ব পাৰিব।

অসমৰ বাঁহভিত্তিক উদ্যোগসমূহৰ প্ৰসাৰৰ লগতে ইয়াৰ লগত জড়িত উদ্যোগীসকলক উৎসাহিত কৰাৰ বাবে আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ বাঁহ শিল্পীসকললৈ আধুনিক সা-সঁজুলি বিতৰণ কাৰ্যসূচীও মুকলি কৰে। ৰাজ্যখনৰ মুঠ ৭৭২ গৰাকী বাঁহশিল্পী ইয়াৰ দ্বাৰা উপকৃত হ'ব। আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে কেইগৰাকীমান বাঁহশিল্পীক আধুনিক সা-সঁজুলিৰ টোপোলা বিতৰণৰ জৰিয়তে আনুষ্ঠানিকভাৱে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসম চৰকাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'ন্যূনতম চৰকাৰ, অধিকতম প্ৰশাসন' নীতিক বাস্তৱায়িতকৰণৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি আছে। জনসাধাৰণে যাতে চৰকাৰী কাৰ্যালয়লৈ নহাকৈয়ে ঘৰতে বহি চৰকাৰী সেৱাসমূহ লাভ কৰিব পাৰে, তাৰ বাবে প্ৰযুক্তিৰ সৰ্বোচ্চ ব্যৱহাৰৰ মাধ্যমেৰে প্ৰশাসনিক ব্যৱস্থাটোলৈ আমূল পৰিৱৰ্তন আনিবৰ বাবে বৰ্তমানৰ চৰকাৰখনে প্ৰথমটো দিনৰ পৰাই নিষ্ঠাৰে কাম কৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে জনসাধাৰণ আৰু চৰকাৰৰ মাজত বিশ্বাসৰ বাতাৱৰণ বৰ্তাই ৰাখিবৰ বাবে ৰাজ্য চৰকাৰে চৰকাৰী চাকৰিত নিয়োগৰ বাবে পুলিচ ভেৰিফিকেশ্যনৰ ব্যৱস্থা নোহোৱা কৰিলে। গাড়ী চালনাৰ শিকাৰুৰ অনুজ্ঞাপত্ৰ অনলাইনযোগে প্ৰদানৰ ব্যৱস্থা কৰাৰ মাথোঁ ২২ দিনৰ ভিতৰতে অভিলেখসংখ্যক ৫৩ হাজাৰ লোকে আবেদন কৰি এই ব্যৱস্থাৰ প্ৰতি সঁহাৰি জনোৱাটো অতি আশাপ্ৰদ দিশ বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অতি সোনকালেই চৰকাৰে ব্যৱসায়িক প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰসমূহো অনলাইনযোগে প্ৰদানৰ কাম আৰম্ভ কৰিব। সেইদৰে ৰাইজৰ মাটি-বাৰী বিষয়ক কাম-কাজসমূহো পৰ্যায়ক্ৰমে অনলাইনযোগে সম্পন্ন কৰাৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে নিবনুৱাসকলৰ বাবে অনলাইন পঞ্জীয়ন পৰ্টেল প্ৰৱৰ্তনৰ ফলত ৰাজ্যৰ নিয়োগ বিনিময় কেন্দ্ৰসমূহে এতিয়া অন্যান্য নিয়োগ সৃষ্টিকাৰী কাম-কাজত অধিক মনোনিৱেশ কৰিব পাৰিব। পূৰ্বৰ দৰে কেৱল পঞ্জীয়ন কৰ্তৃপক্ষ হোৱাৰ পৰিৱৰ্তে, ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতীসকলক নিয়োগযোগ্য কৰি তোলাৰ পদক্ষেপ গ্ৰহণৰ কামত এই কেন্দ্ৰসমূহে এতিয়া নিজকে জড়িত কৰিব পাৰিব। ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতীসকলক নিয়োগৰ সুবিধা প্ৰদানৰ বাবে অহা ছয় মাহৰ ভিতৰত এটা উপযুক্ত নিয়োগ পৰ্টেল প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আজি দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগক নিৰ্দেশ দিয়ে। আনহাতে, আগন্তুক দুৰ্গা পূজাৰ পূৰ্বেই গাড়ী চালকৰ অনুজ্ঞাপত্ৰ নবীকৰণ আৰু এনে অনুজ্ঞাপত্ৰৰ প্ৰতিলিপি (ডুপ্লিকেট ড্ৰাইভিং লাইচেন্স) জাৰি কৰাৰ বাবে অনলাইন সেৱা আৰম্ভ কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আজি

পৰিবহণ বিভাগক নিৰ্দেশ দিয়ে।

উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰধান সচিব কে কে দ্বিবেদীয়ে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য, পৰিবহন আৰু দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত পৰিবহণ বিভাগৰ আয়ুক্ত আদিল খান, অসম দক্ষতা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য সুভাষ দাসকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

***প্ৰঃকুঃবঃ***

**২৭-৯-২০২১**